# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
# 0000000000

**Date : 15**-09-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

১। ভিয়েটনাম ভাৰতৰ মহাসাগৰ আৰু গোলকীয় দক্ষিণ নীতিৰ মূল অংশীদাৰ বুলি বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে  প্ৰকাশ কৰিছে।

২। ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ৰাষ্ট্ৰীয় ঘাইপথ হেল্পলাইন সেৱা ১০৩৩ প্ৰযুক্তিগতভাৱে উন্নীত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে।

৩। ইউ পি আই আৰু ৰূপে ডেবিট কাৰ্ডৰ জৰিয়তে দুহেজাৰ টকা পৰ্যন্ত হোৱা লেনদেনত বেংকে কোনো মাচুল আৰোপ কৰিব নোৱাৰিব বুলি চৰকাৰে ঘোষণা কৰিছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজস্থানৰ নগৰীয়া স্থানীয় নিকায়ৰ নিৰ্বাচনত বিজেপি জয়ী হোৱা উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে।

*আৰু*

৫। ভাৰত আৰু আফগানিস্তানৰ মাজৰ চলিত টি-২০ আন্তঃৰাষ্ট্ৰীয়  ক্ৰিকেট শৃংখলাৰ দ্বিতীয়খন খেল আজি দিল্লীত অনুষ্ঠিত হ'ব।

০০০০০

ভিয়েটনাম ভাৰতৰ পূবলৈ চোৱা নীতি, আছিয়ান ভাৰত প্ৰশান্ত মহাসাগৰীয়, মহাসাগৰ আৰু গোলকীয় দক্ষিণ নীতিৰ মূল অংশীদাৰ। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি নতুন দিল্লীত অনুষ্ঠিত ঊনবিংশ ভাৰত-ভিয়েটনাম যুটীয়া আয়োগৰ বৈঠকত ভিয়েটনামৰ বিদেশ মন্ত্ৰী লি হোৱাই টুংৰ সৈতে সহ অধ্যক্ষতা কৰি এই কথা প্ৰকাশ কৰে।

ড০ জয়শংকৰে কয়, যে এই বৈঠক দুয়োদেশৰ মাজৰ বাণিজ্যিক, অৰ্থনৈতিক, বৈজ্ঞানিক আৰু বাণিজ্যিক সহযোগিতাৰ ক্ষেত্ৰত দিয়া  প্ৰতিশ্ৰুতিসমূহ ৰূপায়ণ সন্দৰ্ভত পৰ্যালোচনা কৰাৰ এটা সুন্দৰ সুযোগ। সামাজিক মাধ্যমৰ এটা পোষ্টত ড০ জয়শংকৰে কয় যে এই বৈঠকত তেওঁলোকে ভাৰত আৰু ভিয়েটনামৰ মাজৰ ৰাজনৈতিক, প্ৰতিৰক্ষা, আৰু সুৰক্ষা সহযোগিতা শক্তিশালী কৰাৰ বাবে বিভিন্ন উপায়ৰ লগতে ভাৰতত নিৰ্মিত প্ৰতিৰক্ষা সামগ্ৰী, যোগান বৃদ্ধি কৰাৰ বিষয়ে আলোচনা কৰে। দুয়োগৰাকী নেতাই উভয় দেশৰ মাজত বাণিজ্য, বিনিয়োগ, যোগান শৃংখলা আৰু সামুদ্ৰিক, কৃষিজাত সামগ্ৰী আৰু ভেষজ সামগ্ৰীৰ বজাৰ সম্প্ৰসাৰণৰ বিষয়েও আলোচনা কৰে। ইয়াৰ লগতে শক্তি সহযোগিতা, ঐতিহ্যৰ সুৰক্ষা আৰু সাংস্কৃতিক প্ৰকল্পসমূহৰ বিষয়েও আলোচনা কৰা হয়। অহা বছৰলৈ

ভাৰত আৰু ভিয়েটনামৰ বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ ৫৫ বছৰ সম্পূৰ্ণ হ'ব। এই উপলক্ষে দুয়ো দেশৰ কূটনৈতিক সম্পৰ্ক উদযাপন কৰা হ'ব বুলি দুয়োগৰাকী নেতাই সন্মতি প্ৰকাশ কৰে।

০০০০০

ভাৰতীয় ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণে ইয়াৰ বৰ্তমানৰ ১০৩৩ ৰাষ্ট্ৰীয় ঘাইপথ হেল্পলাইন সেৱা উন্নত প্ৰযুক্তিৰে উন্নীত কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। ৰাষ্ট্ৰীয় ঘাই পথেৰে যাতায়াত কৰা লোকসকলক দ্ৰুত আৰু উন্নত সুবিধা প্ৰদান কৰাৰ অৰ্থে এই ব্যৱস্থা লোৱা হৈছে। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰালয়ৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি ঘাইপথ উন্নীতকৰণ প্ৰক্ৰিয়া কৃত্ৰিম বুদ্ধিমত্তা, বাস্তৱ সময়ৰ স্থান অনুসৰণ আৰু সক্ৰিয় জৰুৰীকালীন সঁহাৰি ব্যৱস্থাৰ দৰে প্ৰযুক্তি ব্যৱহাৰ কৰা হ'ব। ইয়াৰ জৰিয়তে ১০৩৩ হেল্পলাইনে ফোন কৰা লোকৰ স্থান চিনাক্ত কৰাত সহায় কৰিব। বিভিন্ন ভাৰতীয় ভাষাত কৰা ফোনইন কথা-বতৰা সঠিকভাৱে বুজাৰ লগতে উপযুক্ত স্থানলৈ অধিক ক্ষীপ্ৰতাৰে প্ৰেৰণ কৰিব পাৰিব। সূত্ৰটোৱে লগতে কয়, যে মানৱ অপাৰেটৰ সকলে মানৱীয় বিচাৰ আৰু সিদ্ধান্ত গ্ৰহণৰ প্ৰয়োজনীয়তা থকা জৰুৰীকালীন বিষয়ত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। উল্লেখযোগ্য যে, ২০১৮ চনত প্ৰৱৰ্তন কৰা ১০৩৩ হেল্পলাইন সপ্তাহৰ সাতোটা দিনতে ২৪ ঘণ্টাই সেৱা আগবঢ়াই আহিছে। ই ৰাষ্ট্ৰীয় ঘাইপথ ব্যৱহাৰকাৰীসকলক জৰুৰীকালীন চিকিৎসা ব্যৱস্থা, বাহনৰ বিজুটি, এম্বুলেন্স, ক্ৰেন আৰু টহলদাৰী বাহনৰ পৰা সহায় আৰু টোল প্লাজা তথা ফাষ্টেগ বিষয়ক সমস্যাত সহায় কৰে। এই হেল্পলাইনে এক দশমিক ৪-৬ কিলোমিটাৰতকৈও অধিক দৈৰ্ঘ্যৰ ৰাষ্ট্ৰীয় ঘাইপথ সামৰি লৈছে।

০০০০০

চৰকাৰে দুহেজাৰ টকা পৰ্যন্ত ইউ পি আইৰ জৰিয়তে হোৱা লেনদেনত বেংকে কোনো মাচুল আৰোপ কৰিব নোৱাৰিব বুলি ঘোষণা কৰিছে। চৰকাৰী ৰাজপত্ৰ অধিসূচনা অনুসৰি ৰূপেৰ ডেবিট কাৰ্ডৰ জৰিয়তে হোৱা লেনদেনৰ ক্ষেত্ৰতো এই নিয়ম প্ৰযোজ্য হ'ব। এই অধিসূচনা অনুসৰি বেংক নাইবা কোনো পেমেণ্ট ব্যৱস্থা প্ৰদানকাৰীয়ে এনেদৰে ধনৰ আদান-প্ৰদান কৰা ব্যক্তিৰ ক্ষেত্ৰত প্ৰত্যক্ষ বা পৰোক্ষভাৱে কোনো কৰ আৰোপ কৰিব নোৱাৰিব। বিত্ত মন্ত্ৰালয়ে ইউ পি আই লেনদেনৰ ক্ষেত্ৰত আৰোপ কৰিবলগীয়া কৰ সংক্ৰান্তীয় নীতি-নিয়ম স্পষ্ট কৰি দিয়াৰ বাবে ধন আদায় আৰু নিষ্পত্তি ব্যৱস্থা আইনৰ অধীনত এই বিষয়ে অৱগত কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে নতুন দিল্লীৰ যশোভূমিত পৰহিলৈ ছেমিকন ইণ্ডিয়া, ২০২৬ৰ ষষ্ঠ সংস্কৰণ উদ্বোধন কৰিব। এই অনুষ্ঠানত ৬০০ৰো অধিক প্ৰদৰ্শনকাৰী, তিনিশ আন্তঃৰাষ্ট্ৰীয় কোম্পানী আৰু ৪০ খনতকৈও অধিক দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। এই প্ৰদৰ্শনীত ছটা দেশীয় পেভিলিয়ন, ১২ টা ৰাজ্য চৰকাৰৰ পেভিলিয়ন আৰু এটা নিৰ্দিষ্ট ষ্টাৰ্টআপ পেভিলিয়ন প্ৰদৰ্শিত হ'ব।

০০০০০

মুখ্য ন্যায়াধীশ সূৰ্যকান্তে ন্যায় পালিকাৰ সংস্কাৰ আৰু অধিক স্বচ্ছতাৰ প্ৰয়োজনীয়তাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে। ইয়াৰ লগতে ন্যায়াধীশগৰাকীয়ে ন্যায়াধীশৰ বিৰুদ্ধে উত্থাপিত অভিযোগৰ সমাধানৰ বাবে উচ্চতম ন্যায়ালয় আৰু উচ্চ ন্যায়ালয়ে বিকশিত কৰা ব্যৱস্থাটোক শক্তিশালী, সঁহাৰিজনক আৰু সময় উপযোগী বুলি অভিহিত কৰিছে।

নতুন দিল্লীত কালি অনুষ্ঠিত ষষ্ঠ ৰামজেঠমালানী সোঁৱৰণী বক্তৃতানুষ্ঠানত অংশগ্ৰহণ কৰি মুখ্য ন্যায়াধীশ সূৰ্যকান্তে এই অভিমত প্ৰকাশ কৰে। তেওঁ কয়, যে ন্যায়পালিকাই নিজেই সমালোচনাৰ গুৰুত্ব স্বীকাৰ কৰি আহিছে। উচ্চতম ন্যায়ালয়ৰ স্থিতি উল্লেখ কৰি তেওঁ কয়, যে উচ্চতম ন্যায়ালয়ো ইয়াৰ সপক্ষে থিয় দিছে। তেওঁ লগতে কয়, যে ন্যায়িক কাৰ্যকলাপৰ গঠনমূলক সমালোচনা গণতন্ত্ৰৰ এটা অতি প্ৰয়োজনীয় আৰু বিধিসন্মত ব্যৱস্থা।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজস্থানৰ নগৰীয়া স্থানীয় নিকায়ৰ নিৰ্বাচনত বিজেপি জয়ী হোৱা উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰী মোদীয়ে কয়, যে বিজেপিৰ এই জয় হৈছে অসত্যৰ বিপৰীতে সত্যৰ জয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ৰাজস্থানৰ জনসাধাৰণে দ্বৈত ইঞ্জীনৰ চৰকাৰৰ অধীনত সুপ্ৰশাসন আৰু উন্নয়নৰ নীতিক সমৰ্থন কৰাটো পুনৰবাৰ প্ৰমাণ কৰিছে। এই জয়ে ৰাজ্যখনক প্ৰগতিৰ অন্য স্তৰলৈ লৈ যোৱাই নহয়, বৰং জনসাধাৰণৰ জীৱন ধাৰণৰ মান উন্নত কৰি তোলাৰ ক্ষেত্ৰত চৰকাৰক শক্তিশালী কৰিব।

ooooo

দেশৰ পাইকাৰী মূল্য সূচাংক (WPI) ভিত্তিক মুদ্ৰাস্ফীতি আগষ্টত সামান্য বৃদ্ধি পাইছে।বাৰ্ষিক ভিত্তিত এই সূচকাংক জুলাইৰ ৯ দশমিক ৭-৮ শতাংশৰ পৰা বৃদ্ধি পাই আগষ্টত ৯ দশমিক ৯-২ শতাংশ হৈছেগৈ। বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে প্ৰকাশ কৰা তথ্য অনুসৰি, যোৱা মাহত খনিজ তেল, খাদ্য সামগ্ৰী, মৌলিক ধাতু, খাদ্য-বহিৰ্ভূত সামগ্ৰী, ৰাসায়নিক আৰু ৰাসায়নিক সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বাবেই বাৰ্ষিক মুদ্ৰাস্ফীতি বৃদ্ধি পাইছে। একেৰাহে চতুৰ্থ মাহৰ বাবে পাইকাৰী মূল্যৰ মুদ্ৰাস্ফীতি ৯ শতাংশৰ ওপৰত আছে।

পাইকাৰী মূল্য সূচাংকৰ প্ৰধান শ্ৰেণীসমূহৰ ভিতৰত ইন্ধন আৰু শক্তি গোটত বাৰ্ষিক ভিত্তিত হোৱা মুদ্ৰাস্ফীতি জুলাইৰ ২০ শতাংশৰ পৰা বৃদ্ধি পাই যোৱা মাহত ২২ দশমিক ৯ শতাংশ হৈছেগৈ। নিৰ্মাণ সামগ্ৰীৰ মুদ্ৰাস্ফীতি ৮ দশমিক ৩ শতাংশৰ পৰা সামান্য বাঢ়ি প্ৰায় ৮ দশমিক ৪ শতাংশ হৈছে। আনহাতে, প্ৰাথমিক সামগ্ৰীৰ মুদ্ৰাস্ফীতি জুলাইৰ ৮ দশমিক ৫ শতাংশৰ পৰা হ্ৰাস পাই আগষ্টত প্ৰায় ৭ দশমিক ৮ শতাংশ হৈছে। খাদ্য সামগ্ৰী আৰু খাদ্যজাত বস্তুৰে গঠিত পাইকাৰী মূল্য খাদ্য সূচকাংক পূৰ্বৰ মাহৰ ৬.

দশমিক ৬-৫ শতাংশৰ পৰা বৃদ্ধি পাই আগষ্টত ৭ দশমিক ০-৫ শতাংশ হৈছে। আনহাতে, আগষ্টত বাৰ্ষিক ভিত্তিত উৎপাদক মূল্য সূচাংক ৯ দশমিক ৮-১ শতাংশলৈ বৃদ্ধি পাইছে।

ooooo

দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত আজি দ্বিতীয়খন টি-২০ আন্তঃৰাষ্ট্ৰীয় খেলত ভাৰতৰ পুৰুষ ক্ৰিকেট দলটো আফগানিস্তানৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব।

দেওবাৰে অনুষ্ঠিত ৩ খনীয়া শৃংখলাটোৰ প্ৰথমখন খেলত ভাৰতে ৭ উইকেটত জয়লাভ কৰি ১-০ৰ অগ্ৰগতি লাভ কৰিছে। আফগানিস্তানে বান্ধি দিয়া ১৫৭ ৰাণৰ লক্ষ্যৰে খেল আৰম্ভ কৰি ভাৰতে অভিষেক শৰ্মাৰ ৩২ টা বলত ৮২ ৰান আৰু ইশান কিষাণৰ ৪২ ৰানৰ সহায়ত ১৩ অভাৰ ৪ টা বলতে ৩ টা উইকেট হেৰুৱাই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। শৃংখলাটোৰ তৃতীয়খন খেল অহা বৃহস্পতিবাৰে একেখন ষ্টেডিয়ামতে খেলোৱা হ'ব।

ooooo

ইটালীৰ প'ৰপেট্ট'ত আজিৰে পৰা হ'বলগীয়া ISSF জুনিয়ৰ শ্বটগান বিশ্বকাপত এচিয়ান ট্ৰেপ চেম্পিয়ন চবিৰা হেৰিছৰ নেতৃত্বত যোৱা ভাৰতৰ এটা কুৰিজনীয়া দলে বিভিন্ন শিতানত অংশগ্ৰহণ কৰিব। অহা ১৯ ছেপ্তেম্বৰত এই প্ৰতিযোগিতাৰ সামৰণি পৰিব। ভাৰতৰ পুৰুষ আৰু মহিলাৰ দলটোৱে ট্ৰেপ আৰু স্কিটকে ধৰি দলীয় মিক্সড ট্ৰেপ শিতানসহ পাঁচটা পদকৰ বাবে প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব। চবিৰা হেৰিছ ভাৰতৰ হৈ পদক লাভৰ ক্ষেত্ৰত অন্যতম দাবীদাৰ। বিগত বৰ্ষৰ ছাইপ্ৰাছৰ নিকোছিয়াত অনুষ্ঠিত ISSF বিশ্বকাপৰ মিক্সড ট্ৰেপ শিতানত তেওঁ অলিম্পিক পদক জয়ী কিনান চিনাইৰ সৈতে যুটী বান্ধি ব্ৰঞ্জৰ পদক অৰ্জন কৰিছিল। জুহেইৰ খানে পুৰুষ আৰু মিক্স ট্ৰেপ শিতানত ভাগ লোৱাৰ বিপৰীতে আদ্যা কাট্য়াল মহিলাৰ ট্ৰেপ শিতানত অৱতীৰ্ণ হ'ব। এই প্ৰতিযোগিতাত আমেৰিকাৰ সৰ্বাধিক ২২ গৰাকী খেলুৱৈৰ লগতে অন্য ৩০  খন দেশৰ মুঠ ২১৮ গৰাকী শ্বুটাৰে অংশগ্ৰহণ কৰিছে। এপ্ৰিলত কাইৰোত অনুষ্ঠিত জুনিয়ৰ বিশ্বকাপত ভাৰতীয় শ্বুটাৰসকলে পাঁচটা সোণসহ ১৬ টা পদক অৰ্জন কৰিছিল।

ooooo

**সমাপ্ত**